NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০০০

১। দেশৰ ১১ খন ৰাজ্যৰ ৩৩ টা বিধানসভা সমষ্টি আৰু কেৰালাৰ ৱায়ানাড় লোকসভা আসনখনৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিছে।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাৰ এখন উচ্চস্তৰীয় কমিটিয়ে ছত্তিশগড়, ওড়িশা আৰু পশ্চিমবঙ্গত প্ৰায় ৭২৬ কোটি টকা ব্যয় সাপেক্ষ তিনিটা প্ৰকল্পত অনুমোদন জনাইছে।

৩। জাপানত লিবাৰেল ডেমক্ৰেটিক পাৰ্টিৰ নেতা শ্বিগেৰু ইশ্বিবা দেশখনৰ পৰৱৰ্তীগৰাকী প্ৰধানমন্ত্ৰী হিচাপে পুনৰ নিৰ্বাচিত হৈছে।

৪। বিদেশী বাণিজ্যৰ ভাৰতীয় প্ৰতিষ্ঠান- IIFTৰ এটা নতুন চৌহদ ডুবাইত শীঘ্ৰেই মুকলি কৰা হ'ব।

***আৰু***

৫। অহা ২০ নৱেম্বৰৰ পৰা গোৱাত ৫৫ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত হ'ব।

০০০০০০০০০

দেশৰ ১১ খন ৰাজ্যৰ ৩৩ টা বিধানসভা সমষ্টি আৰু কেৰালাৰ ৱায়ানাড় লোকসভা আসনখনৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিছে। পৰহিলৈ অসমৰ ৫ খন, ৰাজস্থানৰ ৭ খন, পশ্চিমবংগৰ ছখন, বিহাৰৰ ৪ খন, কৰ্ণাটকৰ ৩ খন, মধ্য প্ৰদেশ আৰু ছিকিমৰ দুখনকৈ বিধানসভা আসনৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ লগতে কেৰালা, ছত্তিশগড়, গুজৰাট আৰু মেঘালয়ৰ এখনকৈ বিধানসভা আসনৰ বাবেও উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ইপিনে, উত্তৰ প্ৰদেশৰ ৯ টা বিধানসভা সমষ্টিৰ লগতে পাঞ্জাৱৰ চাৰিটা আৰু কেৰালা আৰু উত্তৰাখণ্ডৰ সমষ্টি আৰু মহাৰাষ্ট্ৰৰ নন্দেড় সংসদীয় সমষ্টিৰ বাবে অহা ২০ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ২৩ নৱেম্বৰত ভোট গণনা কৰা হ'ব।

০০০০০০০০০

ঝাৰখণ্ডতো প্ৰথম পৰ্য্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৫ বজাত সামৰণি পৰে। অৱশ্যে নক্সাল অধ্যুষিত অঞ্চলসমূহত  বিয়লি ৪ বজাত প্ৰচাৰ অভিযানৰ অন্ত পৰে। এই পৰ্য্যায়ত ৪৩ টা সমষ্টিৰ বাবে পৰহিলৈ ভোট গ্ৰহণ কৰা হ'ব।  এন ডি এ আৰু ইণ্ডি মিত্ৰজোটে বিভিন্ন বিষয় লৈ ভোটদাতা ৰাইজৰ মন জয় কৰাৰ প্ৰয়াস চলায়। এন ডি এই হেমন্ত চোৰেণ চৰকাৰৰ বিৰুদ্ধে দুৰ্নীতি, বাংলাদেশী অনুপ্ৰৱেশ, নিবনুৱা সমস্যা আদিৰ বিষয় লৈ প্ৰচাৰ চলোৱাৰ বিপৰীতে ইণ্ডি মিত্ৰজোটে কেন্দ্ৰৰ দ্বাৰা ঝাৰখণ্ডৰ প্ৰতি বৈষম্য দেখুওৱা আৰু উপযুক্ত পুঁজিৰ আবণ্টন নিদিয়া আদি বিষয় লৈ নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হয়। এন ডি এৰ হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, অমিত শ্বাহ, য়োগী আদিত্য নাথ, শিৱৰাজ সিং চৌহান, হিমন্ত বিশ্ব শৰ্মা, চিৰাগ পাছোৱান, মিথুন চক্ৰৱৰ্তী, ৰবি কিষাণ আদি তাৰকা প্ৰচাৰকসকলে নিৰ্বাচনী প্ৰচাৰত ভাগ লয়। আনহাতে, হেমন্ত চোৰেণ, ৰাহুল গান্ধী, মল্লিকাৰ্জুন খাৰ্গে, লালু প্ৰসাদ যাদৱ আৰু তেজস্বী প্ৰসাদ আদি তাৰকা প্ৰচাৰকসকলে ইণ্ডি মিত্ৰজোটৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

ooooooooo

ৰাজস্থানৰ ৭ খন বিধানসভা আসনৰ বাবে উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি অন্তিম দিনা কংগ্ৰেছ, বিজেপি আৰু অন্যান্য ৰাজনৈতিক দলৰ নেতাসকলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ হৈ ভোটদাতা ৰাইজৰ মন আকৰ্ষণৰ বাবে আপ্ৰাণ চেষ্টা চলায়। মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই আজি বিজেপি প্ৰাৰ্থীৰ হৈ চৌৰাশী আৰু চলুম্ভৰত বিজয় সংকল্প বৈঠকত অংশগ্ৰহণ কৰে। বিজেপিৰ অন্যান্য জ্যেষ্ঠ নেতা আৰু ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকলেও দলীয় প্ৰাৰ্থীৰ হৈ ঠায়ে ঠায়ে প্ৰচাৰ চলায়। বিৰোধী নেতা টীকাৰাম জুলিয়ে ৰামগড় বিধানসভা সমষ্টিৰ বিভিন্ন স্থানত কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী সভাত ভাষণ দিয়ে। আন কেইবাগৰাকীও জ্যেষ্ঠ নেতায়ো দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান চলায়। নেচনেল ডেম'ক্ৰেটিক পাৰ্টীৰ আহ্বায়ক হনুমান বেণীৱালে খীঁৱচৰৰ বিভিন্ন স্থানত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ বিপৰীতে ভাৰত ট্ৰাইবেল পাৰ্টীৰ সাংসদ ৰাজকুমাৰ ৰোতে চৌৰাশীৰ বিভিন্ন স্থানত প্ৰচাৰ চলায়।

ooooooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাৰ এখন উচ্চস্তৰীয় কমিটিয়ে ছত্তিশগড়, ওড়িশা আৰু পশ্চিমবঙ্গত প্ৰায় ৭২৬ কোটি টকা ব্যয় সাপেক্ষ তিনিটা প্ৰকল্পত অনুমোদন জনাইছে। এই ৰাজ্যকেইখনত অগ্নি নিৰ্বাপক বাহিনীৰ সম্প্ৰসাৰণ আৰু আধুনিকীকৰণ বাবে এই প্ৰকল্পকেইটাৰ অনুমোদন জনোৱা হৈছে। ছত্তিশগড়ৰ বাবে ১৪৮ কোটি, ওড়িশাৰ বাবে ২০১ কোটি আৰু পশ্চিমবঙ্গৰ বাবে প্ৰায় ৩৭৭ কোটি টকাৰ অনুমোদন জনোৱা হৈছে। চৰকাৰে কেন্দ্ৰীয় দুৰ্য্যোগ সঁহাৰি পুঁজিৰ পৰা ইয়াৰ বাবে মুঠ ৫ হাজাৰ কোটি টকাৰ আবণ্টন জনাইছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰ্যালয়ৰ মুখপাত্ৰই জনোৱা মতে, ১৫ খন ৰাজ্যৰ বাবে মুঠ দুহেজাৰ ৫৪২ কোটি টকা ব্যয় সাপেক্ষে ইতিমধ্যে বহুকেইটা প্ৰকল্পত অনুমোদন দিয়া হৈছে।

ooooooooo

ডুবাইত শীঘ্ৰেই বিদেশী বাণিজ্যৰ ভাৰতীয় প্ৰতিষ্ঠান- IIFTৰ এটা নতুন চৌহদ মুকলি কৰা হ'ব বুলি কেন্দ্ৰীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে ঘোষণা কৰিছে। নতুন দিল্লীত IIFTৰ ৫৭ সংখ্যক সমাৰ্বতন অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে ভাষণ দি শ্ৰী গোৱেলে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ দেশৰ উজ্বল ভৱিষ্যৎ

সুৰক্ষিত কৰাৰ ক্ষেত্ৰত যুৱ শিক্ষাৰ্থীসকলে পালন কৰিবলগীয়া গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে, দেশৰ ভৱিষ্যৎ সকলো কৰিব পৰা যুৱ প্ৰজন্মৰ হাতত আছে। মন্ত্ৰীগৰাকীয়ে কয় যে, বৰ্তমানৰ যুৱ ভাৰতবৰ্ষ বিশ্বৰ সন্মুখত সম্পূৰ্ণ বিশ্বাসেৰে থিয় দিবলৈ সক্ষম হৈছে আৰু ১৪০ কোটি ভাৰতীয়ৰ ভাগ্য সঠিক ৰূপত গঢ় দিবলৈ তেওঁলোকৰ হাতত অপাৰ সুযোগ আছে।

ooooooooo

জাপানত লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টীৰ নেতা শ্বিগেৰু ইশ্বিবাই দেশখনৰ উভয় সদনতে অধিক সংখ্যক ভোট লাভ কৰি  পৰৱৰ্তীগৰাকী প্ৰধানমন্ত্ৰী হিচাপে পুনৰ নিৰ্বাচিত হৈছে। এই নিৰ্বাচনত ৬৭ বছৰীয়া ইশ্বিবাই ২২১ টা ভোট লাভ কৰি জয়ী হয়। প্ৰধানমন্ত্ৰী নিৰ্বাচনৰ উদ্দেশ্যে আজি বিয়লি ডায়েট হিচাপে জনাজাত জাপানৰ সংসদৰ এখন বিশেষ অধিৱেশন অনুষ্ঠিত হয়।

ooooooooo

ডুবাইত শীঘ্ৰেই বিদেশী বাণিজ্যৰ ভাৰতীয় প্ৰতিষ্ঠান- IIFTৰ এটা নতুন চৌহদ মুকলি কৰা হ'ব বুলি কেন্দ্ৰীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে ঘোষণা কৰিছে। নতুন দিল্লীত IIFTৰ ৫৭ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে ভাষণ দি শ্ৰী গোৱেলে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ দেশৰ উজ্বল ভৱিষ্যৎ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত যুৱ শিক্ষাৰ্থীসকলে পালন কৰিবলগীয়া গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে, দেশৰ ভৱিষ্যৎ সকলো কৰিব পৰা যুৱ প্ৰজন্মৰ হাতত আছে। মন্ত্ৰীগৰাকীয়ে কয় যে, বৰ্তমানৰ যুৱ ভাৰতবৰ্ষ বিশ্বৰ সন্মুখত সম্পূৰ্ণ বিশ্বাসেৰে থিয় দিবলৈ সক্ষম হৈছে আৰু ১৪০ কোটি ভাৰতীয়ৰ ভাগ্য সঠিক ৰূপত গঢ় দিবলৈ তেওঁলোকৰ হাতত অপাৰ সুযোগ আছে।

ooooooooo

গোৱাত অহা ২০ নৱেম্বৰৰ পৰা ৫৫ সংখ্যক ভাৰত আন্তৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আয়োজন কৰা হৈছে। আজি নতুন দিল্লীত এই উপলক্ষে আয়োজিত সংবাদমেলত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগানে কয়, যে আন্তৰাষ্ট্ৰীয় পৰ্যায়ৰ অন্যতম বৃহৎ চলচ্চিত্ৰ মহোৎসৱৰ প্ৰতি দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ চলচিত্ৰ নিৰ্মাতা আৰু দৰ্শকৰ বিপুল সঁহাৰি পৰিলক্ষিত হৈছে। আজিৰ সংবাদমেলত তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ সচিব সঞ্জয় ৰাজুৱে কয়, যে যুৱ চলচ্চিত্ৰ নিৰ্মাতা - ভৱিষ্যত সমাগত শীৰ্ষক  বিষয়েৰে আয়োজন কৰা এইবাৰৰ মহোৎসৱত যুৱ চলচ্চিত্ৰ নিৰ্মাতাসকলৰ চলচ্চিত্ৰৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

এই মহোৎসৱৰ বাবে ১০১ খন ৰাষ্ট্ৰৰ পৰা এহেজাৰ ৬৭৬ খন চলচ্চিত্ৰ প্ৰেৰণ কৰা হৈছিল যদিও ইয়াৰ ভিতৰত ৮১ খন ৰাষ্ট্ৰৰ ১৮০ খন চলচ্চিত্ৰই মহোৎসৱৰ বাবে বাচনি লাভ কৰিছে।

ooooooooo

শীতকালৰ সময়ছোৱাত প্ৰতি বছৰৰ দৰে এইবছৰো জম্মুৰ প্ৰশাসনিক খণ্ডৰ কামসমূহ কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ ৰাজধানী শ্ৰীনগৰৰ পৰা জম্মুলৈ স্থানান্তৰিত কৰা হৈছে। ইয়াৰ অংশ হিচাপে জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই আজিৰে পৰা জম্মুৰ অসামৰিক সচিবালয়ৰ পৰা নিজৰ কাম-কাজসমূহ আৰম্ভ কৰিছে। আকাশবাণীৰ জম্মু-কাশ্মীৰৰ সংবাদদাতাই জনোৱা মতে, ওমৰ আব্দুল্লাই আজি এই বছৰ প্ৰথমবাৰৰ বাবে জম্মুৰ

অসামৰিক সচিবালয় ভ্ৰমণ কৰি মন্ত্ৰী, বিধায়ক আৰু আঞ্চলিক নেতাসকলৰ সৈতে বিভিন্ন বিষয়ত আলোচনা কৰে আৰু সহযোগিতা আৰু মুক্ত যোগাযোগৰ জৰিয়তে কামসমূহ কৰাৰ বাবে তেওঁ অংগীকাৰবদ্ধ বুলি প্ৰকাশ কৰে। উপ-মুখ্যমন্ত্ৰী, মুখ্য সচিব, প্ৰশাসনিক সচিব আৰু বিভাগী মুৰব্বীসকলে জম্মুৰ পৰা নিজৰ কামসমূহ পুনৰ আৰম্ভ কৰে। উল্লেখযোগ্য যে, কাশ্মীৰ উপত্যকাত প্ৰচণ্ড শীতৰ বাবে চৰকাৰী কাম-কাজ অক্টোবৰৰ পৰা মে' মাহলৈকে শ্ৰীনগৰৰ পৰা জম্মুলৈ স্থানান্তৰিত কৰা হয়। ইয়াৰ লগতে কাশ্মীৰ উপত্যকাৰ চৰকাৰী কাম-কাজসমূহ শ্ৰীনগৰৰ অসামৰিক সচিবালয়তো আংশিকভাৱে চলি থাকে।

০০০০০০০০০

মহিলাৰ এছিয়ান হকী প্ৰতিযোগিতাত আজি বিহাৰৰ ৰাজগীড় ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত যোৱাবাৰৰ বিজয়ী ভাৰতে মালয়েছিয়াক ৪-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে আজি জাপান আৰু দক্ষিণ কোৰিয়াৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী খেলখন ২-২ গ'লত ড্ৰ হয়। জাপানৰ হৈ মাহো উৰেন আৰু চাকি তানাকাই এটাকৈ গ'ল দিয়াৰ বিপৰীতে দক্ষিণ কোৰিয়াৰ হৈ মিহয়াং পাৰ্ক আৰু য়ুঁজিন লীয়ে এটাকৈ গ'ল দিয়ে। আজিৰ আন এখন খেলত চীনে থাইলেণ্ডক ১৫-০ৰ বিশাল ব্যৱধানত পৰাস্ত্ কৰে।

০০০০০০০০০

সমাপ্ত